# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 06-07-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

::::::::::::::::::::::::::::::::

সমগ্ৰ দেশতে আজি জনসংঘৰ প্ৰতিষ্ঠাপক তথা মহান দেশপ্ৰেমীক শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ নাৰায়ণ সিং আৰু অন্যান্য নেতাসকলে ড০ মুখাৰ্জীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

নগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ডঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকি তেওঁৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পন কৰে।

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত আজি কাৰ্যালয় সভাকক্ষত ডঃ শ্যামা প্ৰসাদ মুখাৰ্জী জয়ন্তী উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ডঃ মুখাৰ্জীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজলন তথা পুষ্পাঞ্জলি অৰ্পন কৰি জিলা আয়ুক্তগৰাকীয়ে মহান দেশপ্ৰেমীক গৰাকীৰ আদৰ্শ, চিন্তাধাৰা আৰু ত্যাগে ভৱিষ্যত প্ৰজন্মক দেশ সেৱাৰ প্ৰতি উৎসৰ্গিত হোৱাত অনুপ্ৰাণিত কৰিব বুলি উল্লেখ কৰে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়ুক্ত সংহত কাৰ্যালয়ৰ সভাকক্ষত আজি মহান দেশপ্ৰেমীক গৰাকীৰ জন্ম দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই গছপুলি ৰোপণ কৰাৰ লগতে শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগতো আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গাম্ভীৰ্যপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে আজিৰে পৰা ২০২৭ বৰ্ষৰ ৬ জুলাইলৈকে দেশজুৰি আয়োজন কৰা দুবছৰীয়া কাৰ্যসূচীৰ অংশ হিচাপে এই বৈঠক অনুষ্ঠিত হয়। সভাত ভাষণ দি জিলা আয়ুক্ত অংকুৰ ভড়ালীয়ে ড০ মুখাৰ্জীৰ দৰে জাতীয় বীৰসকলৰ অৱদান নৱ প্ৰজন্মক অৱগত কৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিলচৰত জিলা প্ৰশাসনৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত কাছাৰৰ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে', বিশিষ্ট কবি অতিন দাসৰ লগতে জ্যেষ্ঠ বিষয়া আৰু কৰ্মচাৰীসকলে ডঃ মুখাৰ্জীৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি তৰ্পন কৰে।

০০০০

গোলাঘাট জিলাৰ বিভিন্ন স্থানত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ধনশিৰি নৈৰ জলপৃষ্ঠ ক্ৰমাৎ বাঢ়ি অহা পৰিলক্ষিত হৈছে। ধনশিৰি নৈৰ বাঢ়নি পানীয়ে ইতিমধ্যে সৰুপথাৰ, বৰপথাৰ, নুমলিগড়, খুমতাই, মৰঙি আদি অঞ্চলৰ দুকুৰিৰো অধিক গাওঁ প্লাৱিত কৰিছে। সৰুপথাৰ সমজিলাৰ অন্তৰ্গত নাওজান কৈৰী গাঁও, চেৰাগুৰি, শিঙিমাৰী, শিমলুচাপৰি আদি অঞ্চল বানে প্লাৱিত কৰাৰ ফলত ৰাইজে ঘৰ এৰি মথাউৰিত আশ্ৰয়

ল'বলগীয়া হৈছে। বানাক্ৰান্ত লোকসকলে ইতিমধ্যে জিলা প্ৰশাসনে ব্যৱস্থা কৰি দিয়া শিবিৰত আশ্ৰয় গ্ৰহণ কৰাৰ লগতে পশুধন সমূহকো নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিছে। ইফালে খুমতাই বিধানসভা সমষ্টিৰ মৰঙি ৰাজহ চক্ৰৰ অধীনত কুৰিখনৰো অধিক গাওঁত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে আতংকৰ সৃষ্টি কৰিছে। ধনশিৰি নৈৰ দাতিকাষৰীয়া মইনাপাৰা, কাঠকটীয়া, কুৰুকা, শালমৰা গ্ৰাণ্ট, ঢুলিয়াগাওঁ, দুখুতিমুখ, তিনি নম্বৰ ভোলাগুৰি, কৈৱৰ্তগাওঁ, চেচামুখ, কৰদৈগুৰি, কেন্দুগুৰি আদি গাঁৱত বৃদ্ধি হোৱা ধনশিৰি নৈৰ বাঢ়নি পানীয়ে পথ আৰু ঘৰৰ ভেটি বুৰাই পেলাইছে। ইয়াৰ উপৰি শালি খেতিৰ লগতে বিভিন্ন শাক পাচলিৰ খেতি বাঢ়নি পানীয়ে বুৰাই পেলোৱাত কৃষক ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। জিলা প্ৰশাসনৰ তৰফৰ পৰা উদ্ধাৰ অভিযান অব্যাহত আছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি সমষ্টিৰ ডুমডুমা -বৰচলা আদৰ্শ স্নাতক মহাবিদ্যালয়খন পৰিদৰ্শন কৰি শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি তথা স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত এক নতুন সংযোজন স্বৰূপ এই মহাবিদ্যালয়খন চলিত শিক্ষাবৰ্ষৰ পৰা পাঠদান আৰম্ভ কৰিবলৈ সাজু হৈছে। এছ অ' পি ডি আঁচনিৰ অধীনত আধুনিক শিক্ষাগত মানেৰে নিৰ্মাণ কৰা শিক্ষানুষ্ঠানখনে সুসংগঠিত পাঠদান ব্যৱস্থা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰী ডাঃ পেগুৱে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয় যে এই আদৰ্শ মহাবিদ্যালয়খনে অঞ্চলটোত উচ্চ শিক্ষাৰ এক নতুন যুগ আৰম্ভ কৰিব। স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিজৰ অঞ্চলতে গুণগত শিক্ষা গ্ৰহণৰ সুবিধা নিশ্চিত হব বুলিও তেওঁ কয়।

মন্ত্ৰীগৰাকীয়ে দৰং জিলাৰ খাৰুপেটিয়াত নৱ নিৰ্মিত মঙলদৈ কন্যা আদৰ্শ মহাবিদ্যালয়খনো আজি পৰিদৰ্শন কৰে। মহাবিদ্যালয়খনত প্ৰথমবাৰৰ বাবে ২০২৫-২৬ বৰ্ষত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা পহিলা আগষ্টৰ পৰা মহাবিদ্যালয়খনত শ্ৰেণীসমূহ আৰম্ভ হব। এই শিক্ষানুষ্ঠানখনৰ জৰিয়তে অঞ্চলটোত নাৰী শিক্ষাৰ ক্ষেত্ৰত প্ৰগতি ত্বৰান্বিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

প্ৰায় ৮ ঘণ্টা ধৰি ৰে'ল চলাচল ব্যাহত হৈ থকাৰ অন্তত লামডিং-বদৰপুৰ ৰে'ল লাইনত পুনৰ ৰে'ল চলাচল আৰম্ভ হয়। পুৱতি নিশা মাইবং-দাওতুহাজা আৰু মুপা-দিহাখুৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বহুকেইখন ৰে'লৰ সময়সূচী সলনি তথা কেইবাখনো ৰে'ল অঞ্চলটোত আবদ্ধ হৈ পৰিছিল। পুৱতি নিশা গুৱাহাটীৰ পৰা শিলচৰ অভিমুখে গুৱাহাটী-ৰঙিয়া এক্সপ্ৰেছ ৰে'লখন হাতীখালী ষ্টেচনত আৱদ্ধ হৈ পৰিছিল। একেদৰে গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ ৰে'লখন লামডিং ষ্টেচনত আৰু গুৱাহাটী-দুৰ্লভছৰা এক্সপ্ৰেছ ৰে'লখন লাংটিং ষ্টেচনত আৱদ্ধ হৈ আছিল। আগৰতলা-দেওঘৰ এক্সপ্ৰেছ ৰে'লখনো হাফলং ষ্টেচনত আৱদ্ধ হৈ আছিল। ভূমিস্খলন সংঘটিত হোৱা ৰে'লপথছোৱা মুকলি কৰাৰ পাছতে পুনৰ ৰে'ল চলাচল আৰম্ভ হয়।

০০০০

সমাপ্ত